بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ   نَحۡمَدُہٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِہِ الۡکَرِیۡمِ   وَعَلٰی عَبۡدِہِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৭ চনৰ ২১ এপ্ৰিলত জাৰ্মানিত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

যুগ গুৰুত্বৰ ভাৰে সঙ্কটাপন্ন ! ইলাহি ক্ৰোধ উদয় হ'ব ধৰিছে। যি জনে আল্লাহ তায়লাৰ ইচ্ছানুযায়ী নিজকে নিজে গঢ়ি তুলিব, তেওঁ নিজৰ প্ৰাণ, নিজৰ বংশধৰ আৰু সতি-সন্ততি সকলৰ ওপৰত কৃপা কৰিব। পৃথিৱীৰ অৱস্থা যেনেকৈ বেয়াৰ পিনে ঢাল খাই গৈ আছে আজি সেই ফালে গমি চাই সকলোৱে আল্লাহ তায়লাৰ ফালে বেছিকৈ প্ৰত্যাৱৰ্তন কৰা উচিত।

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আমালোকৰ ওপৰত আল্লাহ তায়লাৰ কৃপা এয়া যে আমি হজৰত মছিহ মাওউদ (আঃ) ক মানি লৈছো, তেখেতত শৰণ লৈছো। এই কথাখিনি আমাৰ ঈমান বৃদ্ধি কৰাৰ মাধ্যম হোৱা উচিত। যদি তেখেতক মান্য কৰাৰ পিছত আমি আমাৰ ঈমান ও বিশ্বাস দৃঢ় কৰি নলওঁ তেন্তে মান্য কৰাৰ কোনো লাভ আহৰণ নহয়। দুৰ্বল বোধ শক্তি আৰু মনৰ সঙ্কীৰ্ণতা দলিয়াই পেলাই মুকলি ভাৱে ইছলাম প্ৰচাৰ কৰা উচিত। সাধাৰণতে মাজে সময়ে ল'ৰা ছোৱালীয়ে ভাৱে যে মুছলমান সকলক যি অৱস্থা আৰু যেনেদৰে কাজিয়া বিবাদৰ ফালে ঠেলি দিয়া হৈ আছে সেই হিচাপে ইছলামৰ বিষয়ে বেছি নোকুৱাই ভাল। কিন্তু বেলেগ মুছলমানৰ কাৰুকাৰ্য্য চাই আমালোকৰ আৰু বেছি সাহস গোটোৱা উচিত যে ইছলামৰ সত্যতাৰ প্ৰমাণ. যি অৱস্থা আজি মুছলমানৰ মাজত দেখা দিছে কাৰণ আঁহজৰত (ছাঃ) য়ে ভৱিষ্যত বাণী কৰিছিল যে এসময়ত গৈ মুছলমান সকলে বেয়াৰ পিনে ধাবিত হ'ব, কাজিয়া-বিবাদত লিপ্ত হৈ পৰিব, তাৰ বাবে নামধাৰী উলামা সকলে হ'ব দায়ী। পাৰ্থিব লিপ্সা মুছলমান সকলৰ ওপৰত বিজয় লাভ কৰিব আৰু তেতিয়া মছিহ মাওউদ ও মাহদী (আঃ) ৰ আবিৰ্ভাৱ ঘটিব। ইছলামৰ প্ৰকৃত প্ৰতিচ্ছবি জগত বাসীৰ সন্মুখত তুলি ধৰিব। আমি আহমদীয়েই হলো সেই সকল, যিয়ে সেই মছিহ মাওউদ (আঃ) ৰ মান্যকাৰী। প্ৰকৃত ইছলামী শিক্ষা, যাৰ অনাবিল সৌন্দৰ্য্য ধুনীয়াকৈ হজৰত মছিহ মাওউদ (আঃ) য়ে আমালোকক দেখুৱাইছে আমি তাৰে ওপৰত আমলকাৰী।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; হজৰত মছিহ মাওউদ (আঃ) য়ে যি জমাত প্ৰতিষ্ঠা কৰিবলৈ আহিছিল সেয়া কেৱল ঈমান আৰু বিশ্বাসৰ সংশোধন কৰিবলৈ নহয় বৰং সকলো শ্ৰেণীৰ আৰু সকলো ক্ষেত্ৰতে কৰা কাৰ্য্যৰ সংস্কাৰ সাধন কৰা জমাত আছিল। গতিকে সেই হিচাপে আমি প্ৰত্যেকেই নিজৰ কাৰ্য্য নীৰিক্ষণ কৰা উচিত যে আমি তাৰ বাবে অৰ্থাৎ সেই উদ্দেশ্য বাস্তবায়িত কৰিবলৈ চেষ্টা কৰিছো নে নাই ? এয়া প্ৰাকৃতিক কথা যে; যেতিয়া আমালোকৰ সংখ্যা বাঢ়িব তেতিয়া পৃথিৱীৰ সৈতে পৰিচয় ঘটিব আৰু যেতিয়া পৃথিৱীৰ সৈতে পৰিচয় হ'ব তেতিয়া আমালোক লৈ অনুসন্ধানী চোকা দৃষ্টিও বাঢ়িব। গতিকে এই বিষয়টোৱে আমাৰ পৰা বিচাৰে যে আমি যেন প্ৰত্যেকেই নিজৰ নিজৰ আমলৰ মান উন্নত কৰো আৰু হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ উদ্দেশ্য সফল কৰো।

কেইদিনমান আগত জাৰ্মানিৰ বিভিন্ন চহৰত মছজিদৰ শুভাৰম্ভ আৰু ভিত্তি স্থাপনৰ প্ৰোগ্ৰাম অনুষ্ঠিত হয়। তাত অংশগ্ৰহন কৰা স্থানীয় লোক আৰু ৰাজনীতিবিদ সকলৰ ধ্যান-ধাৰণাৰ বহিঃপ্ৰকাশৰ পৰা অনুমান কৰিব পাৰি যে তাৰে স্থানীয় লোক সকলৰ ওপৰত আহমদীয়তৰ ভালেখিনি প্ৰভাৱ পৰিছে। কিন্তু মৰ ানুমান হয় যে যি দৰে ইছলামৰ প্ৰকৃত শিক্ষাৰ সৈতে মানহৰ পৰিচয় হ'বলৈ আছিল, সেয়া হোৱা নাই। কাৰণ বহুতেই এয়া প্ৰকাশ কৰে যে আমি ইছলামৰ প্ৰকৃত শিক্ষা সম্পৰ্কে নাজানো আমি কেৱল ইছলামৰ সেই বিষয়খিনি জানো যি মিডিয়াই আমালোকক দেখুৱায়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; আমালোকৰ পৰা লোকে ইছলামৰ বিষয়ে শুনি তেওঁলোকৰ ধ্যান ধাৰণা কেনেদৰে সলনি হৈছে তাৰে কেইটামান উদাহৰণ দাঙি ধৰিবলৈ লৈছো। এজন চিকিৎসকে কয় যে; আজি মই ইছলাম দেখা পালো যি ঘৃণা বিদ্ধেষৰ জৰিয়তে নহয় বৰং প্ৰেম ভালপোৱাৰ মাজেৰে বিস্তাৰ লাভ কৰি আছে। এজনী মহিলাই কয় যে; আজি মই যিবোৰ কথা শুনিলো, এয়া কেতিয়াও কোনো মুছলমান নেতাৰ মুখত শুনা নাই। মিচ এস্তৰ নামৰ মহিলা জনীয়ে কয় যে আজি আপোনালোকৰ খলিফায় মোক মনত থকা সকলো প্ৰশ্নৰ উত্তৰ দি দিছে। লগতে আৰু কয় যে; মোৰ এয়া ভয় আছে যে আজি মই যিবোৰ সুন্দৰ কথা শুনিলো, কালি গৈ আকৌ কোনোৱাই যেন ইছ্লামৰ নামত উগ্ৰবাদী আক্ৰমন নচলায় আৰু মানুহ যেন সেই ফালে মনযোগী নহয় আৰু এই শান্তিময় আহ্বান যেন পাহৰি নেযায়। হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে এয়া হয়তো ঠিক। এনেকুৱা হৈ থাকে আৰু মিডিয়াৰ এয়াই প্ৰচেষ্টা যে ইছলামৰ ভাল প্ৰতিচ্ছবি যেন কেতিয়াও জগতবাসীৰ সন্মুখত পোহৰিত নহয়। গতিকে আমাৰ কাম হ'ল আমি এই পয়গাম যি ভালপোৱা, প্ৰেম পৰস্পৰ বুজাবুজি, আল্লাহ তায়লাৰ হ'ক আৰু চান্দাৰ হ'ক আদায়ৰ পয়গাম সেয়া প্ৰচাৰ কৰাৰ চেষ্টা কৰা। নাইধাৰী উলামা সকলে ইছলামক নিষিদ্ধ কাম যিবোৰ কৰে তাৰ বিপৰিতে আমি ইছলামৰ প্ৰদত্ত শিক্ষা জগতবাসীৰ আগত দাঙি ধৰিব লাগিব। হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে; বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে ভাৱে যে তেওঁলোকে পুৰণি ফিকা আৰু দুই এজন আউলিয়াৰ লিখনি পঢ়ি বহুত জ্ঞান লাভ কৰিছে আৰু কোনেও তেওঁলোকৰ জ্ঞানৰ তুলনা দিব নোৱাৰে। এনে ধৰণৰ বিজানু যদি মগযুত আছে তেন্তে সেয়া উলিৱাই দিয়া উচিত। এতিয়া পুৰণি উলামা সকলক এৰি দিয়ক। এতিয়া প্ৰকৃত শিক্ষা আৰু ইছলামৰ শুদ্ধ ধাৰণা হজৰত মছিহ মাওউদ (আঃ) ৰ লিখনিৰ পৰাহে পোৱা যাব পাৰে। যি ৰায় হজৰত মছিহ মাওউদ (আঃ) য়ে প্ৰদান কৰিছে সেয়াই হ'ল প্ৰকৃত ৰায়। তেখেত (আঃ) ৰ জ্ঞান বিধানৰ ভিত্তিত খোলাফা সকলে যি ব্যাখ্যা আগবঢ়াইছে সেয়া হ'ল আচল ব্যাখ্যা। হজৰত মছিহ মাওউদ (আঃ) য়েই হ'ল এই যুগত ন্যায় বিচাৰক, কথাটো আমি সদায় মনত ৰখা উচিত। গতিকে যিবোৰ তেখেত (আঃ) য়ে কৈছে সেয়া সকলো সচাঁ আৰু ইছলামী শিক্ষাৰ বাস্তৱ ৰূপায়ণ।

আল্লাহ তায়লা যিহেতু হজৰত মছিহ মাওউদ (আঃ) ক এই যুগৰ সংস্কাৰক হিচাপে পঠাইছে সেয়া পোন পটিয়াকৈ জ্ঞানও দান কৰিছে। হজৰত মছিহ মাওউদ (আঃ) য়ে এঠাইত কৈছে যে; বিশ্বাস অবিহনে একোৱে হ'ব নোৱাৰে। কয় যে চিন্তা কৰি চোৱা আৰু নিজৰ অন্তৰত জুখি চোৱা যে তোমালোকে মোৰ হাতত বয়াত কৰিছা আৰু মোক মছিহ মাওউদ ও ন্যায় বিচাৰক হিচাপে মানি লৈছে যদি ইয়াৰ পিছত মোৰ কোনো সিদ্ধান্ত বা কাৰ্যই তোমালোকৰ মনত দুঃখ দিয়ে তেন্তে নিজৰ ঈমানৰ বিষয়ে চিন্তান্বিত হ'বা। যদি তোমালোকে সচাঁ অন্তকৰণেৰে বিশ্বাস কৰিছে যে মছিহ মাওউদ সচাঁকৈয়ে হাকিম তেন্তে তাৰ নিৰ্দেশৰ আগত আত্মসমৰ্পন কৰি লোৱা। যি কোৱা হৈছে মনে সেয়া মানি লোৱা আৰু তাৰ সিদ্ধান্তক সন্মানৰ চকুৰে চোৱা যাতে তোমালোকে ৰছুলুল্লাহ (ছাঃ) ৰ পৱিত্ৰ বাণী সমুহক সৰ্বোচ্চ মৰ্যদা দিয়া লোক হিচাপে গন্য হোৱা। উল্লেখ কৰিছে যে ৰছুলুল্লাহ (ছাঃ) ৰ সাক্ষ্যই যথেষ্ট। তেখেত (ছাঃ) য়ে শান্তনা দিছে যে; মছিহ মাওউদ আহিব, তেওঁ তোমালোকৰ ইমাম হ'ব আৰু ন্যায় বিচাৰক হ'ব। যদি এয়া এতিয়াও বিশ্বাস নহয় তেন্তে কেতিয়া বিশ্বাস হ'ব। যদি মই সত্যবাদী নহয় তেন্তে যোৱা সত্যবাদীক বিচাৰি লোৱা। নিশ্চিতকৈ জানি লোৱা এতিয়া আৰু বেলেগ সত্যবাদী পাবলৈ নাই। যদি অইন কোনো সত্যবাদী বিচাৰি পোৱা নেযায় তেন্তে মই সেই খিনি হ'ক দাবী কৰো যিখিনি ৰছুলুল্লাহ (ছাঃ) য়ে মোক দান কৰিছে।

তেখেত (আঃ) য়ে বিৰুদ্ধবাদী সকলক উদ্দেশ্যি কৰি কৈছে যে; বৰ আফচোচ যদি পবিত্ৰ নিয়তেৰে মোৰ ওচৰলৈ আহিলাহেতেন তেন্তে মই তেওঁলোকক সেই খোদাক দেখালোহেতেন, যি খোদাক মই লাভ কৰিছো আৰু সেই খোদা নিজে সিহঁতৰ ওপৰত কৃপা কৰিলেহেতেন আৰু বুজালে হেতেন কিন্তু সিহঁত বৰ কৃপন আৰু ইৰ্ষা পৰায়ন, মই সিহঁতক কেনেদৰে বুজাওঁ। কিন্তু আমাৰ কাম হ'ল সেই খোদাৰ সৈতে সম্পৰ্ক গঢ়ি তোলা, পাৰ্থিৱ মোহত ডুবি যোৱা নহয়। এইখন পৃথিৱী ক্ষণস্থায়ী। সেয়ে আমি পাবলগীয়া জগতৰ বিষয়ে চিন্তা কৰা উচিত। তেখেত (আঃ) য়ে কৈছে যে; যেতিয়া মানুহে প্ৰকৃত হৃদয়েৰে হ'ক বিচাৰি আহে তেতিয়া সকলো সিদ্ধান্ত কাৰ্যকৰী

হয়। কিন্তু যেতিয়া কোনো চয়তানি কৰাৰ উদ্দেশ্য থাকে তেতিয়া সকলো নিষ্ফল হয়। হিজাজুল কিৰামত ইবণে আৰাবীৰ হৈ লিখিছে যে মছিহ মাওউদ যেতিয়া আহিব তেতিয়া তাক ঠগ আৰু মূৰ্খ বুলি ধৰি লোৱা হ'ব। এয়াও কোৱা হ'ব যে তেওঁ ধৰ্মক সাল-সলনি কৰিছে। এতিয়া তেনেকুৱাই হৈ আছে। এনেধৰণৰ দোষ মোৰ ওপৰত জাপি দিয়া হৈছে। এনেবোৰ সন্দেহৰ পৰা মানুহে তেতিয়া মুক্তি পাব যেতিয়া সিহঁতে নিজৰ চেষ্টা প্ৰচেষ্টা বন্ধ কৰিব আৰু প্ৰমাণ আদি লোৱাৰ পৰা আঁতৰিব। ইয়াৰ সলনি সিহঁতে চিন্তা কৰক যে এয়া সচাঁ নে মিছা। আল্লাহ তায়লাৰ ওচৰত দোৱা কৰা যে এয়া সচাঁ নে মিছা। তেখেত (আঃ) য়ে কৈছে যে কিছুমান বিষয় নিশ্চিতই বোধগম্যৰ বাহিৰত হৈ থাকে কিন্তু যি সকলে পযগম্বৰৰ ওপৰত ঈমান আনে সিহতে সুন্দৰ আচৰণৰ সৈতে ধৈৰ্য সহকাৰে অপেক্ষা কৰে তেতিয়া আল্লাহ তায়লা সিহতলৈ আচল ভাবাৰ্থ প্ৰকাশ কৰে। উল্লেখ্য যে চাহাবা সকলে ৰছুলুল্লাহ (ছাঃ) ক প্ৰশ্ন কৰা নাছিল কিন্তু অপেক্ষাত থাকিছিল যে কোনোবা আহি কেতিয়া প্ৰশ্ন কৰে। তাৰে পৰা লাভ আহৰণ কৰিছিল কিন্তু প্ৰশ্ন কৰাৰ সাহস নকৰিছিল। মোৰ বোধেৰে উত্তম শান্তিময় পন্থা হ'ল সন্মান প্ৰদৰ্শন কৰা, যিজন ব্যক্তি মানুহৰ সন্মান বুজি নাপায় তেওঁ ধংসত নিপতিত হোৱাৰ ভয় আছে। লগতে মই নিজৰ লোক সকলোকও উপদেশ দিওঁ যে; সন্দেহ কৰা উচিত নহয় আৰু বিনা কাৰণত প্ৰশ্ন তোলা ঠিক নহয়।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে; প্ৰথম কথা হ'ল আমি কোনো ধৰণৰ আশঙ্কিত বা সন্দিহান হোৱাৰ প্ৰয়োজন নাই। কিছুমান বিষয়ত যদি পুৰনি বুজুৰ্গ আৰু আউলিয়াৰ মাজত মতবিৰুধ আছে অথবা কোনো সিদ্ধান্ত লোৱা আছে সেইবোৰে এই হাকিমৰ আগত কোনো মৰ্যদা নাৰাখে। যিহেতু খাতামুল খোলাফা, খাতামুল আউলিয়া, যুগৰ শেষ মুজাদ্দিদ আৰু ন্যায় বিচাৰক আহি গৈছে সেয়া তাৰ ৰায়, যিবোৰ ইছলাম সম্পৰ্কে আগবঢ়াইছে সেয়াই সঠিক বাকী সকলো ভুল। আমি বয়াত কৰাৰ পিছত সেইবোৰ পালন কৰিব লাগিব।

দ্বিতীয় কথা হ'ল আমি হজৰত মছিহ মাওউদ (আঃ) ৰ ৰচিত কিতাপবোৰৰ পৰা জ্ঞান অৰ্জন কৰিব লাগিব যিয়ে আমাক প্ৰকৃত ইছলাম সম্পৰ্কে জ্ঞান দিয়ে। প্ৰত্যেক বিষয় আৰু সমস্যাত আমি তেখেত (আঃ) ৰ বিবৃতি দাঙি ধৰিব লাগিব। জগতবাসীয়ে কি ক'ব সেয়া লৈ আমি ভ্ৰুক্ষেপ কৰিব নালাগে। গতিকে আমি ভয় কৰিব নালাগে, ধৰ্মই যিটো বিষয় ভূল বুলি কৈছে সেয়া আমিও ভূল বুলি ক'ব লাগিব। এই কথা খিনি আমি প্ৰত্যেক আহমদীয়ে ভালদৰে মনত ৰখা উচিত। হজৰত মছিহ মাওউদ (আঃ) য়ে কৈছে যে বেছি বেছি প্ৰশ্ন কৰা ঠিক নহয় কাৰণ ইয়াতে পূৰ্ণ আনুগত্ব প্ৰকাশ নাপায়। সেয়া উল্লেখ কৰিছে যে নবী সকলৰ আন্তজ্ঞানৰ পৰিধী এনেকুৱা যে সকলো প্ৰশ্নৰ উত্তৰ প্ৰশ্নকাৰীৰ মগজুতেই দি দিব পাৰে। যদি কোনোবাই আহি কয় যে মই হজৰত মছিহ মাওউদ (আঃ) ৰ অতি সাধাৰণ সেৱক, মোৰ মনত যিবোৰ প্ৰশ্ন আছিল সেইবোৰৰ উত্তৰ মই এই ভাষণৰ পৰা পাই গৈছো তেন্তে এয়া সঠিক যে নবী সকলৰ আন্তজ্ঞান বেছি থাকে। গতিকে প্ৰত্যেক সুক্ষ্ম বিষয়তেই দক্ষতাৰে উত্তৰ দিয়ে। গতিকে এয়া ভাবিব নেলাগে যে এই বিষয়ৰ উত্তৰ দিয়া নাই। উত্তৰ নিশ্চয় আছে কিন্তু মান্যকাৰী সকলৰ আনুগত্যৰ মান উন্নত কৰিব লাগিব।

হজৰত মছিহ মাওউদ (আঃ) য়ে নিজৰ জমাতক উপদেশ দি বুজাইছে যে তেওঁলোকে কেনে হ'ব লাগিব আৰু কেনেকুৱা হ'ব লাগিব সিহঁতৰ ঈমানৰ অৱস্থা। এই বিষয়ে তেখেত (আঃ) ৰ এটা বিবৃতি উল্লেখ কৰিবলৈ লৈছো। তেখেত (আঃ) য়ে কৈছে; আজিৰ যুগ বৰ বেয়াৰ পিনে গৈ আছে। বিভিন্ন ধৰণৰ শিৰিক, বিদাত, পঙ্কিলতায় জন্ম লৈছে। বয়াত কৰাৰ সময়ত শপত লোৱা হয় যে দ্বীনক দুনিয়াৰ ওপৰত প্ৰাধান্যতা দিম। এই শপত খোদা তায়লাৰ আগত লোৱা শপত। মৃত্যু লৈকে এই বাক্য প্ৰতিষ্ঠিত থাকিব লাগগিব নহলে বুজিবা বয়াত লোৱা হোৱা নাই। আল্লাহ তায়লাৰ ইচ্ছানুযায়ী তাকওয়া ধাৰণ কৰা। মনত ৰাখিবা যে খোদা তায়লাৰ কিছুমান কথা অমান্য কৰা মানে তাৰ সকলো কথা অগ্ৰাজ্য কৰা। যদি এটা অংশ চয়তানৰ আৰু এটা আল্লাহৰ তেন্তে বুজিবা আল্লাহ তায়লা অংশবাদীতা পছন্দ নকৰে। যদিও খোদা তায়লাৰ পিনে অহাটো কঠিন আৰু মৃত্যু সম কিন্তু পৰকালৰ জিন্দেগী তাতেই নিহিত। যিজনে নিজৰ ভিতৰৰ পৰা চয়তানৰ অংশখিনি উলিৱাই দলিৱাই পেলায় সেইজন হ'ল ধন্য মানৱ। তাৰ ঘৰ, প্ৰবৃত্তি, চহৰ সকলো কল্যাণ মণ্ডিত হয়। কিন্তু যদি তাৰ ভাগত সামান্য উপলব্দ হয় তেন্তে সেয়া ক;্যাণ বুলি গন্য নহয়। যেনেদৰে তুমি এজন মানুহৰ আগত ইটো সি;া বহুত কথাৰ গল্প কৰিলা কিন্তু কামত একোৱে

নকৰিলা তেন্তে মানুহজনে সন্তুষ নহয়, ঠিক সেই দৰে খোদা তায়লাও সন্তুষ্ট নহয়। তেওঁ আটাইতকৈ লাজুক। উল্লেখ কৰিছে যে গোনাহ দুই ধৰণৰ এটা হ'ল খোদাৰ সৈতে শিৰিক তাৰ মহত্ব নজনা আৰু তাৰ ইবাদত আৰু আনুগত্যত অলসতা দেখুৱা দ্বিতীয় তাৰ বান্দাৰ প্ৰতি সহানুভুতিৰে হ'ক আদায় নিদিয়া। উচিত যে এই দুই ধৰণৰ বেয়া কাম নকৰা। খোদাৰ আনুগত্য প্ৰতিষ্ঠিত কৰা। বয়াতৰ মাজত যি শপত তুমি লৈছে সেয়া প্ৰতিষ্ঠিত ৰাখা। খোদা তায়লাৰ বান্দাক কষ্ট নিদিবা। কোৰ'আন গুৰুত্ব সহকাৰে পঢ়িবা আৰু আমল কৰিবা। সকলো ধৰণৰ ঠাট্টা আৰু অুথা আৰু মুশৰিকৰ বৈঠকৰ পৰা দুৰত থাকিবা। পাঁচ ওয়াক্ত নমাজ পঢ়িবা। আল্লাহ তায়লাৰ নিৰ্দেশ যেন সোৱাদ হীন নহয় যে সেয়া বাদ সিব। শৰীৰ পাক ৰাখিবা। হৃদয় হিংসা মুক্ত কৰিবা। এইবোৰ কথাই খোদা তায়লা তোমালোকৰ পৰা প্ৰত্যাশা কৰে।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, ইণ্টাৰনেট, টি.ভি. যিকোনো এনে কাম যিবোৰে নমাজত অলসতা আমি দিয়ে সেযাই মুশৰিকানা বৈঠক। তেখেত (আঃ) য়ে বা জমাত পাঁচ ওযাক্ত নমাজ পঢ়াৰ বাবে উপদেশ দিছে কিন্তু মই এতিয়া দেখিবলৈ পাইছো যে তাত বহুত দুৰ্ব্বলতা ৰৈ আছে। সমাজত প্ৰেম ভালপোৱা আৰু ভ্ৰাতৃত্ববোধ কিছুমান লোকৰ মাজত নোহোৱা হৈছে। বৰং হিংসা দেখিবলৈ পোৱা গৈছে। গতিকে নিজকে ভাৰি চোৱা প্ৰত্যেকৰে বাবে প্ৰয়োজন। বেলেগক চাব নেলাগে কোন কেনেকুৱা। নিজকে সংশোধন কৰি লওঁক। বাকী বেয়া সমুহ আতৰি যাৱ কেনেও এনে দাবী কৰিব নোৱাৰে যে মই সকলো ফালেৰে পৱিত্ৰ। গতিকে সদায় নিজৰ অলসতা ভূ; আদিৰ বাবে ইস্তেগফাৰ কৰা উচিত। আল্লাহ তায়লা ইয়াৰ বাবে সামৰ্থ্য দান কৰক। হজৰত মছিহ মাওউদ (আঃ) ৰ বয়াতৰ হ'ক আদায় কৰাৰ তৌফিক দান কৰক। আমিন

*********

**Assamess Khulasa Khutba Jumma Huzoor Anwar 21 April 2017**

**BOOK POST (PRINTED MATTER)**

**To**

______________________________

______________________________

______________________________

From: Ahmadiyya Circle Office, Abhayapuri M.G.Road W/N- IV Bongaigaon Assam 783384. # 9864337890